# মোৰবীণা

## অম্বিকাগিৰী ৰায়চৌধুৰী

মোৰ চেনেহী সাদৰী বীণা,
আজি শাৰদ সুবদি দিনা
তোৰ অন্ধ আতুৰ দৃষ্টি
খুলি ঢাল আজি
ত্ৰিভুবন বাজি
সঙ্গীত-সুধা বৃষ্টি।
শীতল শুদ্ধ সুৰৰ সিন্ধু সাঁতুৰি নাদুৰি দুলাই তুলি
মলিন বিশ্ব পখালি শৰীৰ মোহিনী ৰূপত উঠক ফুলি।

সৌৰা সুনীল সিপাৰে বহি
কতনো যাতনা সহি
মোৰ বিৰহ-ব্যথিত প্ৰিয়া
গান গাই গাই
মোৰে বাট চাই
কৰিছে আকুল হিয়া।
যা—যা—তই লৰালৰি কৰি মোৰো গানকিটি বুকুত লই
তাৰ সুৰে স'তে গলা-গলি কৰি গাগৈ ৰাগিণী একেটি হই।
কগৈ বাতৰি মোৰ
আজি পৰিছে সকলো ওৰ;
মোৰ সৰস হিয়াৰ তলি
বিৰহৰ হান
খাই খান্-বান্
উঠিছে বেথাত জ্বলি;—
এই সময়ত আহি যদি তেওঁ সাদৰি আদৰি চুমাটি খায়,
জলাকলা হোৱা হৃদয়াৰ মোৰ তেহে যদি আৰু যাতনা যায়।

আহিব আহিব বুলি
ৰাখিছোঁ দুৱাৰ খুলি

মোৰ হিয়া ভাঙা ৰঙা ৰেণু
বিৰহত পৰি
চাটি-ফুটি কৰি
আছ ৰাই বেথা-বেণু।
আহিলেই তাৰে বুকুত সাবটি ৰাখিম মোহিনী দুখনী গাল
সেই ৰূপ চাই শত জনমৰ যাতনা খেদাই জিনিম কাল।

# অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'মোৰ বীণা'ঃ এক আলোকপাত

✍ নৱজিৎ মজুমদাৰ

অসমীয়া ৰোমাণ্টিক কাব্য-সাহিত্যক সমৃদ্ধ কৰা কবিসকলৰ ভিতৰত জাতীয়তাবাদী ভাৱাপন্ন এগৰাকী কবি হৈছে অম্বিকাগিৰী ৰায়চৌধুৰী। 'অসম কেশৰী' নামে প্ৰখ্যাত অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাত সততে পৰিলক্ষিত হয় স্বদেশ-প্ৰেম, জাতীয়তাবাদী চেতনা, সংগ্ৰামী দৃঢ়তা, মানৱতাবাদী চেতনা, ঐক্য তথা সাম্য-মৈত্ৰী চেতনা, প্ৰগতিবাদী চেতনা আৰু সংস্কাৰকামী মনোভাৱ। তেওঁৰ দ্বাৰা ৰচিত কবিতা পুথিৰ ভিতৰত 'তুমি' (১৯১৫), বীণা (১৯১৬), অনুভূতি (১৯৫৪), স্থাপন কৰ স্থাপন কৰ (১৯৫৮), বন্দো কি ছন্দেৰে (১৯৫৮), বেদনাৰ উল্কা (১৯৬৪), দেশেই ভগৱান (১৯৬৫) আদি উল্লেখযোগ্য। 'বেদনাৰ উল্কা' কাব্যগ্ৰন্থৰ বাবে অম্বিকাগিৰী ৰায়চৌধুৰীয়ে ১৯৬৬ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল। কবি ৰায়চৌধুৰীয়ে ভালেখিনি স্বদেশপ্ৰেমমূলক কবিতাও ৰচনা কৰিছে। এই কবিতাখিনি বাণীকান্ত কাকতি আৰু বিৰিঞ্চি কুমাৰ বৰুৱাই Songs of Cell (১৯৪২) নামেৰে ইংৰাজী ভাষালৈ ভাঙনি কৰে।

কৈশোৰ অৱস্থাতে প্ৰেমত পৰা অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিসত্ত্বাক বিকাশিত কৰাৰ ক্ষেত্ৰত তেওঁ জীৱনত লাভ কৰা প্ৰেমৰ অভিজ্ঞতাই বিশেষভাৱে সহায় কৰিছে। কোমলমতীয়া কবিৰ ভালপোৱাৰ অকৃত্ৰিমতা সম্পৰ্কে প্ৰেয়সীয়ে সন্দেহ কৰাত কবিৰ প্ৰেমিক হৃদয় থানবান হৈ পৰিছিল। কবিয়ে নিজৰ অকৃত্ৰিম প্ৰেমৰ স্বাক্ষৰ স্বৰূপে নিজৰ কেঞা আঙুলিটোৰ এপাব কাটি প্ৰেমিকালৈ বুলি উপহাৰ পঠালে। তেনে এক বেদনা-বিধুৰ সন্ধিক্ষণতে কবিৰ কলমেৰে নিগৰি ওলাইছিল 'তুমি' আৰু 'বীণা' কাব্য গ্ৰন্থ। এই সম্পৰ্কে তেওঁ নিজেই 'মোৰ জীৱন ধুমুহাৰ এছাটি'ত উল্লেখ কৰিছে—

> এফালে এ-পাব নোহোৱা আঙুলিটোৱেই সঘনাই সোঁৱৰাই দিয়া তেওঁৰ স্মৃতিৰ সোঁত আৰু আনফালে দেশপ্ৰেমৰ প্ৰবল ধাৰে মোৰ মনক আজ্ঞাতসাৰে কোনোবা সাগৰত পেলাইছিল। সেই ভাব-সাগৰত উটি-বুৰি লাভ কৰা অভিজ্ঞতাই 'তুমি' আৰু 'বীণা' কাব্যৰ প্ৰেৰণা।[১]

১৯১৬ চনত প্ৰকাশ পোৱা 'বীণা' কাব্যগ্ৰন্থ সৰু সৰু ১৮৮টা গীতি-কবিতাৰ সমষ্টি। এই কাব্যসংকলনৰ কবিতাসমূহত কবিৰ বিৰহ বেদনা ব্যঞ্জিত হৈছে। যিজনৰ বিৰহত কবি বিৰহী সেইজনক সুন্দৰী, প্ৰিয়তমা, প্ৰাণধন সখী, নাথ, বিশ্বপতি, অন্তৰ্যামী আদি বিবিধ বিভূষণেৰে সম্বোধন কৰিছে আৰু 'তই', 'তুমি' বুলিও মাতিছে। প্ৰিয়তমাৰ আত্মিক সান্নিধ্য পাবলৈ কবি ব্যাকুল হৈ পৰিছে। সেয়ে সমালোচক সত্যেন্দ্ৰনাথ শৰ্মাই উচিত মন্তব্য কৰিছে—

> কেতিয়াবা প্ৰিয়তমাক পোন বাট ধৰি, কেতিয়াবা গোপনে, কেতিয়াবা হেঙাৰ অতিক্ৰম কৰি হৃদয় মন্দিৰত থিয় দিবলৈ কবিয়ে আকূতি জনাইছে। 'তুমি' কাব্য সন্তুষ্টিৰ, 'বীণা' কাব্য বিৰহ আৰু অসন্তুষ্টিৰ কাব্য। এই অসন্তুষ্টি আধ্যাত্মিক অসন্তুষ্টি আৰু এই আকাংক্ষা 'The desire of the moth for the star', 'ৰূপতৃষ্ণা চিৰসুন্দৰৰ'।[২]

'বীণা' কাব্যগ্ৰন্থৰ প্ৰথম কবিতাটো হৈছে 'মোৰ বীণা। লক্ষ্মীনাথ বেজবৰুৱা আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ লেখীয়াকৈ অম্বিকাগিৰী ৰায়চৌধুৰীয়েও বীণাক শক্তিশালী ৰূপত কবিতাটোত ব্যৱহাৰ কৰিছে। বীণাৰ মাধ্যমেৰে তেওঁ সুৰমাধুৰীৰ সাগৰ সৃষ্টি কৰি প্ৰিয়জনক আকৰ্ষণ কৰিবলৈ চেষ্টাত ব্ৰতী হৈছে। বিৰহী কবিয়ে বীণাৰ যাদুকৰী সত্তাক আহ্বান জনাইছে তেওঁৰ জীৱনৰ তমসাক নাশ কৰি সংগীত সুধাৰ বৃষ্টি বৰষিবলৈ—

> 'মোৰ চেনেহী সাদৰী বীণা
> আজি শাৰদ সুৱদি দিনা
> তোৰ অন্ধ আতুৰ দৃষ্টি
> খুলি ঢাল আজি
> সঙ্গীত-সুধা বৃষ্টি

ইয়াৰ পিছতেই কবিগৰাকীৰ সংস্কাৰকামী বিপ্লৱী মানোভাৱে কবিতাটোত প্ৰাণ পাই উঠিছে। কলুষ-কলিমাৰে ভৰপূৰ বিশ্বক কবিয়ে পৱিত্ৰ কৰিবলৈ বীণাক অনুৰোধ জনাইছে—

> 'শীতত শুদ্ধ সুৰৰ সিন্ধু সাঁতুৰি-নাদুৰি দুলাই তুলি
> মলিন বিশ্ব পখালি শৰীৰ মোহিনী ৰূপত উঠক ফুলি।

কবি আশাবাদী। কবিয়ে আশা কৰিছে তেওঁৰ নিজৰ লেখীয়াকৈ প্ৰিয়তমাইও কবিৰ বাতৰিৰ বাবে উদ্বাউল হৈ আছে। কবিৰ বিৰহত ব্যথিত প্ৰিয়াই বিষাদৰ গান গাই গাই কবিলৈ অপেক্ষা কৰি আছেঃ

সৌৱা সুনীল সিপাৰে বহি
কতনো যাতনা সহি
মোৰ বিৰহ ব্যথিত প্ৰিয়া
গান গাই গাই
মোৰে বাট চাই
কৰিছে আকুল হিয়া।

কবিয়ে নিজৰ জীৱন বিৰহৰ গীতকেইটিলৈ বীণাক প্ৰিয়তমাৰ ওচৰলৈ যাবলৈ অনুৰোধ জনাইছে। কবিৰ গীত আৰু বীণাৰ সুৰ একাকাৰ হৈ এটি নতুন ৰাগিনীৰ সৃষ্টি কৰিবলৈ কবিয়ে মানস কৰিছে। এই দ্বৈত সুৰৰ সমন্বয়ত নৱ-উন্মেষ ধ্বনি প্ৰবাহিত হ'ব বুলি কবিৰ গভীৰ বিশ্বাস। কবিৰ ব্যথাৰ দাবাগ্নিৰে প্ৰজ্বলিত হিয়া শাত পৰাৰ একমাত্ৰ উপায় হৈছে প্ৰিয়তমাৰ এটি চুমা। ইয়াৰ মাজেৰে মানৱীয় প্ৰেমৰ আকৃতিয়ে প্ৰকাশ লাভ কৰিছে।

মিলন ভংগৰ বেদনাৰ পৰিৱৰ্তে এটি নতুন প্ৰভাতৰ সূচনা হোৱাৰ আকাংক্ষা নিহিত হৈ আছে কবিৰ হৃদয় ৰাজ্যত। এয়া সম্ভৱ দৈৱ শক্তিৰ প্ৰতিভূ স্বৰূপ বীণাৰ সহযোগত। বীণাই এটি আশাবাদৰ ৰেঙণি কঢ়িয়াই আনিব বুলি কবিৰ দৃঢ় বিশ্বাস। কবিৰ এই আশাবাদৰ ভাৱ ব্যঞ্জিত হৈছে এনেদৰে—

আহিব আহিব বুলি
ৰাখিছোঁ দুৱাৰ খুলি
মোৰ হিয়া ভাঙা ৰঙা ৰেণু...

অপেক্ষাকৃত সময়ৰ অন্তত নোপোৱা জনক পোৱাৰ পাছতেই কবিয়ে আৰম্ভ কৰিব প্ৰকৃত জীৱন-যাত্ৰা। তেতিয়াই কবিৰ 'শত জনমৰ যাতনা'ৰ অৱসান হ'ব—

আহিলেই তাৰে বুকুত সাবটি ৰাজিম মোহিনী দুখনী গাল
সেই ৰূপ চাই শত জনমৰ যাতনা খেদাই জিনিম কাল।

উদ্ধৃত কবিতাফাঁকিৰ মাজেৰে ৰোমাণ্টিক কবি অম্বিকাগিৰী ৰায়চৌধুৰীৰ ভৱিষ্যতৰ ৰঙীন কল্পনা মূৰ্ত হৈছে। বীণাক অনুৰোধ জনোৱা, প্ৰিয়া মিলনৰ আকাংক্ষা কৰা আদি কথাৰ মাজেৰে কবিয়ে আঁকিবলৈ বিচৰা ভৱিষ্যতৰ ৰঙীন জগতখনৰ আভাস পাব পাৰি।

'মোৰ বীণা' কবিতাটিৰ মাজেৰে সামগ্ৰিকভাৱে এগৰাকী অভিমানিনী নাৰীৰ চিত্ৰ নিখুঁতভাৱে ৰূপায়িত হৈছে; ইয়াৰ মাজেৰে কবিৰ যৌৱনোচ্ছল প্ৰেমৰ ভাৱাবেগ প্ৰকাশিত হৈছে। প্ৰেয়সীৰ নেতিবাচক অৱস্থানে কবিক অশান্ত কৰিছে যদিও বীণাৰ মাধ্যমেৰে

কবিয়ে আশাবাদৰ সপোন ৰচনা কৰিছে। অৱশ্যে মনকৰিবলগীয়া দিশটো হৈছে কবিতাটোৰ মাজেৰে প্ৰেমৰ আকৃতি, বিচ্ছেদৰ বেদনা, হা-হুমুনিয়াহ, আক্ষেপ আদি ভাবানুভূতি প্ৰকাশিত হ'লেও এইবোৰ কোনো উতনুৱা কবিৰ তৰল প্ৰেমৰ বৰ্হিপ্ৰকাশ নহয়। যিদৰে মানৱীয় প্ৰেমেই 'বীণা' কাব্যত আধ্যাত্ম ৰসব্যঞ্জনা আৰু অতিন্দ্ৰীয় মিলনৰ দিব্যানুভূতিৰ মাজেৰে লোকত্তোৰতাৰ ইংগিতবাহী হৈ উঠিছে[৩]; ঠিক একেদৰে এই কবিতাটিৰ মাজেৰেও প্ৰেম প্ৰাপ্তিৰ বৰ্ণনাৰ মাধ্যমেৰে কবিৰ অতিন্দ্ৰীয়বাদী সত্তাটোৱে ভুমুকি মাৰিছে। 'শত জনমৰ যাতনা খেদাই জিনিম কাল'ৰ মাজেৰে বহু ৰ অপেক্ষাৰ অন্তত পৰমাত্মাৰ লগত বিলীন হোৱাৰ আকাংক্ষা উদ্ভাসিত হৈছে।

অসমীয়া কাব্যসাহিত্যত অম্বিকাগি । ৰায়চৌধুৰীৰ যিটো স্থান এই স্থান নিৰূপণ কৰাত তেওঁৰ 'মোৰ বীণা'ৰ লেখীয়া কবিতাসমূহৰ অৰিহণা যথেষ্ট তাৎপৰ্যপূৰ্ণ। আশাবাদ আৰু অতিন্দ্ৰীয়বাদৰ সু-সমন্বয় সাধিত হোৱাত 'মোৰ বীণা' কবিতাটোও কবিৰ আন আন সফল কবিতাসমূহৰ শাৰীত অন্তৰ্ভুক্ত কৰিব পাৰি।

**পাদটীকা ঃ**

১. অম্বিকাগিৰী ৰায়চৌধুৰী ৰচনাৱলী। পৃ. ৭৫২
২. উক্ত গ্ৰন্থ। পৃ. ০.২৮
৩. নীলমোহন ৰায়। অসমীয়া প্ৰেমকবিতাৰ বিশ্লেষণ। পৃ. ১৯১

**গ্ৰন্থপঞ্জী ঃ**

নেওগ, মহেশ্বৰ (সম্পা.)। সঞ্চয়ন। সাহিত্য অকাডেমি, ২০১০, ত্ৰয়োবিংশতি মুদ্ৰণ।
ৰায়, নীলমোহন। অসমীয়া প্ৰেমকবিতাৰ বিশ্লেষণ। গুৱাহাটী ঃ ভৱানী প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, ২০১১।
শৰ্মা, সত্যেন্দ্ৰনাথ (সম্পা.)। অম্বিকাগিৰী ৰায়চৌধুৰী ৰচনাৱলী। গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ, ১৯৮৬।

***